# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-09-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছেমিকন ইণ্ডিয়া ২০২৫ সন্মিলনত অংশ লোৱা বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে ঘূৰণীয়া মেজমেলত ভাগ ল'ব।

২। নতুন দিল্লীত আজি সামগ্ৰী আৰু সেৱাকৰ পৰিষদৰ ৫৬ সংখ্যক বৈঠক আৰম্ভ হ'ব।

৩। তিনিদনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱং কালি বিয়লি ভাৰতত উপস্থিত হয়।

৪। ভাৰতে সংহাৰী ভূমিকম্পৰ কবলত পৰা আফগানিস্তানলৈ মানৱীয় সাহায্য প্ৰেৰণ কৰিছে।

*আৰু*

৫। উজবেকিস্তানৰ সমৰখণ্ডত আজিৰে পৰা চলিত বৰ্ষৰ এফ আই ডি ই গ্ৰেণ্ড ছুইছ ডবা প্ৰতিযোগিতা আৰম্ভ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছেমিকন ইণ্ডিয়া ২০২৫ সন্মিলনত অংশ লোৱা বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে এখন ঘূৰণীয়া মেজমেলত ভাগ ল'ব। এই মেজমেলত অৰ্ধপৰিবাহী উদ্যোগৰ নেতাসকলক একত্ৰিত কৰি ভাৰতৰ অৰ্ধপৰিবাহী পৰিৱেশ তন্ত্ৰ, ইয়াৰ বৃদ্ধি আৰু বিকাশৰ বিষয়ে আলোচনা কৰা হ'ব। এই আপাহত শ্ৰীমোদীয়ে সমগ্ৰ বিশ্বৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰিব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি নতুন দিল্লীৰ যশোভূমিত ছেমিকন ইণ্ডিয়া ২০২৫ সন্মিলন উদ্বোধন কৰে। এই তিনিদিনীয়া সন্মিলনৰ লক্ষ্য হৈছে বিশ্বৰ অৰ্ধপৰিবাহী যোগান শৃংখলত ভাৰতক বিশ্বাসযোগ্য সহযোগী হিচাপে স্থান দিয়া।

সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে বিশ্বৰ অৰ্ধপৰিবাহী বজাৰত ভাৰতক উল্লেখযোগ্য স্থানত উপনীত কৰোৱাৰ সম্ভাৱনাত গুৰুত্ব আৰোপ কৰে। ভাৰতত অৰ্ধপৰিবাহী খণ্ডৰ বজাৰে সমাগত বছৰবোৰত এক লাখ কোটি ডলাৰ অতিক্ৰম কৰাৰ সম্ভাৱনা আছে।

ভাষণত শ্ৰীমোদীয়ে প্ৰক্ৰিয়াসমূহ সুশৃংখলিত কৰাৰ লগতে কাগজ-পত্ৰৰ কাম হ্ৰাস কৰা আৰু বিনিয়োগকাৰীৰ বাবে আন্তঃগাঁথনি প্ৰদানৰ বাবে চৰকাৰে কৰা প্ৰচেষ্টাৰ আলোকপাত কৰে।

প্ৰধানমন্ত্ৰীয়ে যুৱ উদ্যোগী আৰু ষ্টাৰ্ট-আপসমূহক ভাৰতৰ অৰ্ধপৰিবাহী খণ্ডৰ উদ্ভাৱন তথা পৰিৱেশ তন্ত্ৰৰ সুবিধা গ্ৰহণ কৰিবলৈয়ো আহ্বান জনায়।

ছেমিকন ইণ্ডিয়া ২০২৫ সন্মিলন হৈছে ভাৰতৰ অৰ্ধপৰিবাহী খণ্ডৰ ডিজাইন, উৎপাদন আৰু প্ৰযুক্তি বিকাশৰ কেন্দ্ৰ হিচাপে দেশক গঢ়ি তোলাৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ দিশত উল্লেখযোগ্য পদক্ষেপ। বিশ্বৰ আগশাৰীৰ উদ্যোগপতি আৰু বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰাৰ লগে লগে এই অনুষ্ঠানে ভাৰতৰ অৰ্ধপৰিবাহী খণ্ডত বিনিয়োগ, উদ্ভাৱন আৰু বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পাইলট লাইনৰ মেড ইন ইণ্ডিয়া ছিপছৰ প্ৰথমটো ছেট উপহাৰ দিয়াৰ লগে লগে অৰ্ধ পৰিবাহী খণ্ডত ভাৰতৰ যাত্ৰা ঐতিহাসিক মাইলৰ খুঁটিত উপনীত হয়। নতুন দিল্লীত কালি ছেমিকন ইণ্ডিয়া ২০২৫ৰ প্ৰথম দিনটোত ইলেকট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰধানমন্ত্ৰীগৰাকীক এই উপহাৰ প্ৰদান কৰে। অনুষ্ঠানত শ্ৰীবৈষ্ণৱে কয়, যে অৰ্ধ পৰিবাহী খণ্ডত ভাৰতৰ অভিযান বৌদ্ধিক সম্পত্তি অধিকাৰক সন্মান জনোৱা, যোগান শৃংখলৰ উন্নয়নক সমৰ্থন কৰা আৰু গোলকীয় অংশীদাৰসকলৰ সৈতে সহ উন্নয়নৰ আদৰ্শক প্ৰসাৰ কৰা ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। সমগ্ৰ বিশ্বত ভাৰত সদায় অংশীদাৰ হিচাপে আগবাঢ়ি গৈছে আৰু পাৰস্পৰিক বৃদ্ধিৰ লগতে সহযোগিতাৰে জয়লাভ কৰাৰ পোষকতা কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ছেমিকন ইণ্ডিয়া ২০২৫ত ১২ খন বুজাবুজিৰ পত্ৰ ঘোষণা কৰা হয়। উদ্ভাৱনক আৰু অধিক শক্তিশালী কৰিবলৈ শ্ৰীবৈষ্ণৱে দীপ টেক এলায়েন্স নামৰ নতুন পদক্ষেপ গ্ৰহণ কৰাৰ বিষয়েও উল্লেখ কৰে। এই পদক্ষেপে প্ৰথম অৱস্থাত অৰ্ধ পৰিবাহী খণ্ডত ভাৰতৰ যাত্ৰাৰ লগতে জৈৱ প্ৰযুক্তি, সীমান্ত খণ্ড, কোৱাণ্টাম প্ৰযুক্তি আৰু মহাকাশ খণ্ডৰ ওপৰতো গুৰুত্ব আৰোপ কৰিব।

ooooo

নতুন দিল্লীত আজি সামগ্ৰী আৰু সেৱাকৰ পৰিষদৰ ৫৬ সংখ্যক বৈঠক আৰম্ভ হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই দুদিনীয়া বৈঠকৰ অধ্যক্ষতা কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত স্বাধীনতা দিৱসৰ দিনা কৰা ঘোষণা অনুসৰি এইবেলি বৈঠকত ভাৰতৰ পৰৱৰ্তী প্ৰজন্মৰ সামগ্ৰী আৰু সেৱাকৰ সংস্কাৰ সন্দৰ্ভত বিশেষ আলোচনা কৰা হ'ব বুলি আশা কৰা হৈছে। এই সংস্কাৰে সাধাৰণ জনতা, কৃষক, মধ্যবিত্ত শ্ৰেণীৰ লোক, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ বাবে সকাহ আনিব বুলি শ্ৰীমোদীয়ে ইতিমধ্যে উল্লেখ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে তিনিদনীয়া চৰকাৰী ভাৰত ভ্ৰমণসূচীৰে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱং কালি বিয়লি নতুন দিল্লীত উপস্থিত হয়। বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধাৰীয়ে অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীক বিমান বন্দৰত আদৰণি জনায়। উভয় দেশৰ প্ৰধানমন্ত্ৰীয়ে আজি দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰীৱ'ঙে ভ্ৰমণ কালত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে শ্ৰীৱ'ঙৰ ভ্ৰমণ সন্দৰ্ভত কয়, যে ভাৰত আৰু ছিংগাপুৰৰ কূটনৈতিক সম্পৰ্কৰ ৬০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে উভয় দেশৰ বহুদিনীয়া সম্পৰ্কক অধিক শক্তিশালী

কৰি তুলিব। এই ভ্ৰমণৰ আপাহতে দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু ছিংগাপুৰৰ সৈতে জড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহ সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। এক্ট ইষ্ট নীতিকে ধৰি উভয় দেশৰ মাজত বিভিন্ন দ্বিপাক্ষিক সম্পৰ্ক থকা হেঁতু ছিংগাপুৰ ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ সহযোগী হিচাপে পৰিগণিত হৈ আহিছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে। বিগত বৰ্ষৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ছিংগাপুৰ ভ্ৰমণৰ সময়ত দেশখনৰ সৈতে থকা ভাৰতৰ সম্পৰ্কক সৰ্বাত্মক কৌশলগত সহযোগিতালৈ উন্নীত কৰা হৈছিল।

ইপিনে, কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰে। সাক্ষাৎকালত উভয় দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগ, সামৰ্থ বিকাশ, বহন ক্ষমতা, চিকিৎসা, যোগাযোগ আদি ক্ষেত্ৰত থকা সৰ্বাত্মক কৌশলগত সহযোগিতা ত্বৰান্বিত কৰাৰ উপায় সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত উভয় দেশে এই খণ্ডসমূহত থকা সহযোগিতা অধিক আগুৱাই নিয়াত সহমত প্ৰকাশ কৰে।

ooooo

ভাৰতে সংহাৰী ভূমিকম্পৰ কবলত পৰা আফগানিস্তানলৈ মানৱীয় সাহায্য প্ৰেৰণ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে প্ৰকাশ কৰা অনুসৰি কালি দেশখনলৈ ২১ টন সাহায্য সামগ্ৰী বিমানৰ জৰিয়তে প্ৰেৰণ কৰা হয়। প্ৰেৰণ কৰা সামগ্ৰীসমূহৰ ভিতৰত গৰম কাপোৰ, পৰিষ্কাৰ পৰিচন্নতাৰ সামগ্ৰী, পানী জমা কৰি ৰাখিব পৰা বাচন, পাকঘৰত ব্যৱহৃত বাচন বৰ্তন, প্ৰয়োজনীয় ঔষধ পাতি, হুইল চেয়াৰ, ছেনিটাইজাৰ, পানী পৰিশোধন কৰা টেবলেট, অ' আৰ. এছ্ আদি অন্যতম। মন্ত্ৰালয়ে কয়, যে ভাৰতে আফগানিস্তানৰ পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু দেশখনলৈ পৰৱৰ্তী দিনসমূহত অধিক সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৭০ চনৰ ভিতৰত ভাৰতক কাৰ্বন শূন্য দেশ ৰূপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে। কুৰি সংখ্যক আন্তঃৰাষ্ট্ৰীয় বহন ক্ষমতা সন্মিলনত অংশ লৈ কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰীগাডকাৰীয়ে কয়, যে পৰৱৰ্তী প্ৰজন্মৰ বাবে জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা শংকাৰ অন্যতম কাৰণ ৰূপে পৰিগণিত হৈছে। এইখন দেশ নাইবা সমাজৰ বাবে নীতি-অৰ্থনীতি আৰু পৰিৱেশ অত্যন্ত জৰুৰী বুলি শ্ৰীগাডকাৰীয়ে মন্তব্য কৰে।

ooooo

এটাতকৈ অধিক সমষ্টিত নিৰ্বাচনী পঞ্জীয়ন থকা বাবে নিৰ্বাচন আয়োগে কংগ্ৰেছ নেতা পৱন খেৰালৈ জাননী জাৰি কৰিছে। নতুন দিল্লী সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়াই অহা ৮ ছেপ্তেম্বৰৰ পুৱা ১১ বজাৰ আগতে নেতাগৰাকীক এই জাননীৰ উত্তৰ দিয়াৰ নিৰ্দেশ দিছে। নতুন দিল্লী আৰু জংপুৰা বিধানসভা সমষ্টিত ভোটদাতা হিচাপে নাম সন্নিৱিষ্ট থকা বাবে এই জাননী জাৰি কৰা হৈছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমৰ বিভিন্ন অঞ্চলৰ লগতে মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পৰৱৰ্তী ৫টা দিনত ধাৰাষাৰ বৰষুণৰ আগলি বতৰা প্ৰকাশ কৰিছে। বিভাগে জনোৱা অনুসৰি পঞ্জাৱ, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ পূব অংশত আজিও মুষলধাৰ বৰষুণ অব্যাহত থাকিব। মহাৰাষ্ট্ৰৰ মধ্য অংশ, গোৱা আৰু চত্তিশগড়তো একে ধৰণৰ পৰিৱেশে বিৰাজ কৰিব বুলি বিভাগে জানিবলৈ দিছে।

আজি আৰু পৰৱৰ্তী দুটা দিনৰ সম্ভাব্য প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি মাছমৰীয়াসকলক লক্ষদ্বীপ আৰু কেৰালাৰ সমীপৱৰ্তী সাগৰলৈ মাছ মাৰিবলৈ নাযাবলৈ বিভাগে পৰামৰ্শ জাৰি কৰিছে।

ইপিনে, কংকন আৰু গোৱাৰ সমীপৱৰ্তী সাগৰৰ বাবেও অহা দেওবাৰ পৰ্যন্ত এই পৰামৰ্শাৱলী জাৰি কৰা হৈছে।

০০০০০

উজবেকিস্তানৰ সমৰখণ্ডত আজিৰে পৰা চলিত বৰ্ষৰ এফ আই ডি ই গ্ৰেণ্ড ছুইছ ডবা প্ৰতিযোগিতা আৰম্ভ হ'ব। ছিল্ক ৰোড প্ৰদৰ্শনী কেন্দ্ৰত আয়োজিত এই প্ৰতিযোগিতাখনত বিশ্বক্ৰমৰ চতুৰ্থ স্থানৰ ভাৰতীয় খেলুৱৈ আৰ. প্ৰজ্ঞানানন্দক মুকলি শিতানত প্ৰথম বাছনিত স্থান দিয়া হৈছে। একে শিতানত ভাৰতৰ বিশ্ব চেম্পিয়ন ডি. গুকেশ, অৰ্জুন এৰিগাইছি আৰু যোৱাবাৰৰ বিজয়ী বিদীত গুজৰাটীয়ে দেশৰ প্ৰত্যাশাৰ ভৰ বহন কৰিব।

ইপিনে, ভাৰতৰ মহিলা চেম্পিয়ন দিব্যা দেশমুখেও মুকলি শিতানত প্ৰতিদ্বন্দ্বিতা কৰিব। মহিলাৰ শাখাত যোৱাবাৰৰ বিজয়ী বৈশালী ৰমেশবাবুৱে এই বেলিও দেশলৈ গৌৰৱ কঢ়িনাই আনিব বুলি আশা কৰা হৈছে। উদীয়মান তাৰকা বন্তিকা আগৰৱালেও মহিলা শিতানত শক্তিশালী প্ৰদৰ্শন কৰাৰ সম্ভাৱনা আছে।

প্ৰতিযোগিতাৰ মুকলি শিতানত ১১৬ আৰু মহিলাৰ শিতানত ৫৬ গৰাকীকে ধৰি মুঠ ১৭২ গৰাকী খেলুৱৈয়ে ভাগ ল'ব। উভয় শিতনৰ শীৰ্ষ খেলুৱৈ দুগৰাকীয়ে পৰৱৰ্তী বৰ্ষৰ কেণ্ডিডেটছ ডবা প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিব।

প্ৰতিযোগিতাখন ১১ ৰাউণ্ড ছুইছ পদ্ধতিত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত বিজয়ীসকলৰ বাবে মুকলি শিতানত ৬ লাখ ২৫ হাজাৰ মাৰ্কিন ডলাৰ আৰু মহিলাৰ শিতানত ২ লাখ ৩০ হাজাৰ মাৰ্কিন ডলাৰ পৰিমাণৰ ধন পুৰস্কাৰ হিচাপে ধাৰ্য কৰা হৈছে। বিশ্ব ডবাৰ আগশাৰীৰ এই প্ৰতিযোগিতাখনৰ অহা ১৫ ছেপ্তেম্বৰত সামৰণি পৰিব।

০০০০০

**সমাপ্ত**